
ৰণৰ
যাজন

ৰে
াপন

শ্ব পৰিবেশ
ঠন, অনুষ্ঠান
ন কৰা হয়।
কৰা হয় বিশ্ব
্যপ্ৰাণী আৰু
কাৰী ভূমিত
া প্ৰশাসনে।
আজি বিশ্ব
ণ কাৰ্যসূচী
টিবৰ বাবে
পৃষ্ঠাত চাওক



■ বিজ্ঞান-প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত আয়োজিত অনুষ্ঠানত ড° দুলাল চন্দ্ৰ গোস্বামী ■ জয়ন্ত কুমাৰ দাস ■ জয়ন্ত কুমাৰ শৰ্মা ■ উত্তম কুমাৰ শইকীয়াক বঁটা প্ৰদান কৰিলে মন্ত্ৰী মহন্তই

# পৰিৱেশ দিৱসত চাৰিজন বিশিষ্ট ব্যক্তিক 'পৰিৱেশ মিত্ৰ সন্মান' প্ৰদান

ষ্টাফ ৰিপৰ্টাৰ

গুৱাহাটী, ৫ জুন ঃ বিশ্ব পৰিবেশ দিৱসত ৰাজ্যৰ চাৰিজন বিশিষ্ট ব্যক্তিক ২০২৪ বৰ্ষৰ 'পৰিবেশ মিত্ৰ সন্মান' প্ৰদান কৰা হয়। গুৱাহাটীৰ পশ্চিম বৰাগাঁওস্থিত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান 'আইএএছএছটি'ত অসম ৰাজ্যিক বিজ্ঞান প্ৰযুক্তি আৰু পৰিবেশ পৰিষদ (এছটেক) আৰু আইএএছটিৰ যৌথ উদ্যোগত আয়োজিত ৫৩ সংখ্যক বিশ্ব পৰিৱেশ দিৱসত বিভাগীয় মন্ত্ৰী কেশৱ মহন্তই বিশিষ্ট বিজ্ঞানী, শিক্ষাবিদ ড° দুলাল চন্দ্ৰ গোস্বামীৰ লগতে বন্যপ্ৰাণী সংৰক্ষক তথা পৰিৱেশবিদ জয়ন্ত কুমাৰ দাস, অধ্যাপক তথা পৰিৱেশবিদ জয়ন্ত কুমাৰ শৰ্মা আৰু পৰিৱেশ সাংবাদিকতাৰে জড়িত পৰিৱেশকৰ্মী উত্তম কুমাৰ শইকীয়াক এই বঁটা প্ৰদান কৰে।

ছয় পৃষ্ঠাত চাওক

সদস
9

আবক্ষী
ম-কাজ
অধীনত
ত আৰু
পাছত
৯৭৮ত
নিৰ্দলীয়
পাছত
লটোৰ
ংগ্ৰামত
াধিষ্ঠিত
ৰাজ্যৰ

ৰ

াগদান
য়নমুখী
হিলদল
ৰ.চিন্তা
শান্তি
মাজত
সফল
াগৰাটি
ৰাটিচিৰ
লত হৈ

দেখা পোৱা যায়।

# পৰিৱেশ দিৱসত চাৰিজন বিশিষ্ট ব্যক্তিক

*তিনি পৃষ্ঠাৰ পৰা* অৱশ্যে শাৰীৰিক অসুস্থতাৰ বাবে বিশিষ্ট বিজ্ঞানী ড° গোস্বামীয়ে আজিৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব নোৱাৰাত তেওঁক ঘৰত গৈ এই বঁটা প্ৰদান কৰা হ'ব। একেদৰে ৰাজ্যৰ চাৰিখন শিক্ষানুষ্ঠান ক্ৰমে মঙলদৈ মহাবিদ্যালয়, ধেমাজি বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়, বাগসাৰ নিকাচিৰ মডাৰ্ণ ইংলিছ স্কুল আৰু উত্তৰ লখিমপুৰৰ বধাকৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ইক' ক্লাবক ২০২৪ৰ 'শ্ৰেষ্ঠ ইক' ক্লাব বঁটা'ৰে অনুষ্ঠানত সন্মানিত কৰা হয়। উল্লেখ্য যে ৰাজ্যৰ চাৰি হেজাৰখন শিক্ষানুষ্ঠানত গঠন কৰা ইক' ক্লাবসমূহৰ মাজৰ পৰা এই চাৰিখন বিদ্যালয়ক বাছনি কৰা হৈছিল।

আনহাতে, বঁটা প্ৰদান কৰি মন্ত্ৰী মহন্তই কয়, 'ভৱিষ্যতৰ মানৱ প্ৰজন্ম তথা জীৱকুলৰ বাবেও এখন প্ৰদূষণমুক্ত, সুৰক্ষিত, বাসোপযোগী পৃথিৱী এৰি থৈ যাব পৰাকৈ প্লাষ্টিক প্ৰদূষণ ৰোধৰ লগতে বনাঞ্চল ধ্বংস ৰোধ আৰু পৰিৱেশ সংৰক্ষণৰ দিশত আমি সকলোৱে ঐক্যবদ্ধভাৱে প্ৰয়াস চলোৱাৰ আন একো বিকল্প এতিয়া নাই।' অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰি শান্তিস্বৰূপ ভাটনাগৰ বঁটাৰে সন্মানিত বিশিষ্ট বিজ্ঞানী ড° বিনয় কুমাৰ শইকীয়াই এই বছৰৰ বিশ্ব পৰিৱেশ দিৱসৰ মূল বিষয়বস্তু 'প্লাষ্টিক প্ৰদূষণ নিৰ্মূলন'ৰ লগতে বিজ্ঞান-প্ৰযুক্তিৰ মহত্বৰ বিষয়ে মনোগ্ৰাহী বক্তৃতা প্ৰদান কৰে। যোৰহাটৰ চিএছআইআৰ-নেইষ্টৰ মুখ্য বিজ্ঞানী ড° শইকীয়াই ক্ৰমবৰ্ধমান প্লাষ্টিক প্ৰদূষণে মানৱ সমাজ তথা জীৱকুললৈ কঢ়িয়াই অনা ভয়াবহ ভাবুকিৰ বিষয়ে উনুকিয়াই প্লাষ্টিক প্ৰদূষণ ৰোধ কৰাৰ বাবে প্লাষ্টিকজাত সামগ্ৰীৰ ব্যৱহাৰ হ্ৰাস কৰি জৈৱ-প্লাষ্টিকৰ ব্যৱহাৰ আৰু তথা প্ৰাকৃতিকভাৱে পচন যোৱা প্লাষ্টিক বিকল্পৰ উদ্ভাৱনত গুৰুত্ব আৰোপ কৰে। চিএছআইআৰ-নেইষ্টত ইতিমধ্যে এই বিষয়ত আশাব্যঞ্জক দিশত গৱেষণা আগবঢ়াৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে কাৰ্বন নেন'টিউবৰ ব্যৱহাৰে আগন্তুক দিনত প্লাষ্টিকৰ বিকল্প উপলব্ধ কৰি তুলিব। আমেৰিকা, জাপান আৰু চীনে আনকি আগন্তুক আঢ়ৈৰ পৰা পাঁচটা দশকৰ ভিতৰতে কাৰ্বন নেন'টিউবৰ সহায়ত মহাকাশ জখলা (স্পেচ এলিভেটৰ) উদ্ভাৱনৰ বাবে লক্ষ্য স্থিৰ কৰি লোৱা বুলি মন্তব্য কৰি বিশিষ্ট বিজ্ঞানীজনে কাৰ্বন নেন'টিউবৰ জৰিয়তে বিকল্প প্লাষ্টিকৰ উদ্ভাৱন বা জৈৱ-প্লাষ্টিকৰ ব্যৱহাৰৰ গৱেষণাক সময়ৰ দাবী বুলি অভিহিত কৰে। অনুষ্ঠানত অসম ৰাজ্যিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা পৰিষদৰ সঞ্চালক ড° জয়দ্বীপ বৰুৱা আৰু আইএএছএছটিৰ সঞ্চালক আশিক মুখাৰ্জীয়েও প্লাষ্টিক প্ৰদূষণে মানৱ সভ্যতালৈ অনা প্ৰত্যাহ্বানৰ বিষয়ে বিতংভাৱে উল্লেখ কৰে। উল্লেখ্য যে বিশ্বত ২০৪০লৈ প্লাষ্টিকৰ প্ৰদূষণ ৫০ শতাংশলৈ বৃদ্ধি পাব বুলি ইতিমধ্যে বিজ্ঞানীসকলে আশংকা কৰিছে। আনহাতে, দিৱসৰ মূল অনুষ্ঠানৰ লগত সংগতি ৰাখি গছপুলি ৰোপণ, মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এখন পৰিৱেশ সংৰক্ষণ তথা সজাগতা বিষয়ক চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়।